**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ৯০**

**উত্তৰ দানৰ তাৰিখ-৭/৭/২০২৬**

**বিষয় - পৰ্য্যটন কেন্দ্ৰ সম্পৰ্কে ।**

**শ্ৰী হিমাংশু শেখৰ বৈশ্য, বিধায়ক।**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) দক্ষিণ কামৰূপক পৰ্য্যটন কেন্দ্ৰ হিচাপে গঢ় দি স্থায়ীভাৱে সংস্থাপনৰ দিশটো টনকিয়াল হোৱাৰ লগতে চৰকাৰৰ ৰাজহ আয়তো অৰিহণা যোগাব পৰা যাবনে?

(খ) পলাশবাৰী সমষ্টিৰ প্ৰাকৃতিক আৰু ঐতিহ্য গৰকা সমল সমূহ বাছনি কৰি ৰাইজৰ দীৰ্ঘদিনীয়া দাবী অনুসৰি পৰ্য্যটনৰ দিশটো উন্নীত কৰিবলৈ কোনো পৰিকল্পনা গ্ৰহণ কৰা হৈছেনে ?

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাওৰীয়ানীয়ে উত্তৰ দিব:-**

(ক) এ ই সন্দৰ্ভত ক্ষেত্ৰ পৰিদৰ্শনৰ ভিত্তিত সম্ভাব্যতা সমীক্ষা সম্পন্ন কৰাৰ পিছত বিতংকৈ কব পৰা যাব।

(খ) পলাশবাৰী সমষ্টিৰ প্ৰাকৃতিক আৰু ঐতিহ্য গৰকা সমলসমূহ স্থানীয় ভাৱে পৰ্য্যটন ক্ষেত্ৰ হিচাপে বিকশিত হৈছে।

ইয়াৰ লগতে, পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত চান্দডুবি পৰ্যটনস্থলীৰ পৰ্যটন আন্তঃগাঁথনি উন্নয়নৰ বাবে ২০২১-২২ বৰ্ষত ২৫.০০ লাখ টকা ব্যয় সাপেক্ষে চান্দডুবি পৰ্যটন নিবাসৰ উন্নীতকৰণ সম্পন্ন কৰা হৈছে। তদুপৰি, ২০২৩-২৪ বৰ্ষত ৫০.০০ লাখ টকা অনুমোদন সাপেক্ষে চানডুবি ‘পিকনিক কটেজ’ৰ সমীপত এটা অতিথি শালা নিৰ্মাণৰ কাম চলি আছে, যাৰ জৰিয়তে অঞ্চলটোৰ পৰ্যটন সুবিধা অধিক শক্তিশালী হোৱাৰ লগতে পৰ্যটকৰ আগমন বৃদ্ধি পোৱাৰ আশা কৰা হৈছে।

********

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly.